# দৃশ্যৰ শেষৰ দৃশ্যটো চাবলৈ

## দেৱানন্দ ভট্টাচাৰ্য

ৰৈ থাকোঁ
দৃশ্যৰ শেষৰ দৃশ্যটো চাবলৈ
ৰৈ থাকোঁ
আন্ধাৰৰ শেষৰ আন্ধাৰকণ চাবলৈ
ৰৈ থাকোঁ
পোহৰৰ শেষৰ পোহৰকণ চাবলৈ

কোনোবাই কয়—
সেয়াই সত্য
দৃশ্যান্তৰৰ দৃশ্য

নাজানো আচলতে
কথাবোৰ কি
কাণ পাতি শুনিবলৈ চেষ্টা কৰোঁ
শুনা-নুশুনা এটা মাত

ডাঠ-কুঁৱলীয়ে ঢাকি ধৰা
ৰে'ল লাইনৰ দাঁতিৰ জ্বলি থকা ছিগনেল লাইটৰ পৰা
বিচ্ছুৰিত পোহৰত
বিচাৰি ফুৰোঁ
পৃথিৱীৰ সমস্ত পোহৰ,
টোপ টোপকৈ সৰি পৰা নিয়ৰৰ শব্দত বিচাৰি ফুৰোঁ
মোৰ আত্মাৰ এটা মাত

জীয়াই থকাৰ চিন হিচাপে
উশাহ এটা সলাওঁ
জীয়াই থকাৰ চিন হিচাপে
হাত এখন লৰাওঁ

অবিনাশী চেতনাত মোৰ
পৰিদৃশ্যমান ভূত ভৱিষ্যৎ বৰ্তমান
আৰু জাপ খোৱা
চকুৰ মণিত
এটা তামৰঙী সপোন

মই হেৰাই যাওঁ
নৈশব্দত
মই হেৰাই যাওঁ
বনৰীয়া ফুলৰ গোন্ধত

ৰৈ থাকোঁ
ৰৈ থাকোঁ
দৃশ্যান্তৰৰ দৃশ্য এটা চাবলৈ
তোমাৰ দুচকুত

হে মোৰ সময়...।

# নীলাশিয়ালৰ সাধু

## অপূৰ্ব ভূঞা

১.
আগলি কলপাতবোৰ কঁপাই ৰাতিৰ বতাহে
পাহাৰতলিত সিঁচি দিয়ে আন্ধাৰৰ কণিকাবোৰ
তেনেকুৱাতে ৰাউচি জোৰে শিয়ালবোৰে
তিৰবিৰোৱা চকুবোৰত ভোকৰ অগনি
অতৃপ্তি, ধূৰ্তালি

২.
গঁৱালৰ পোহনীয়া হাঁহ-পাৰলৈ চোঁচা লোৱা
শিয়ালবোৰ বদনামী
সেইবাবে শিয়ালৰ শত্ৰু অনেক
এৰা, নিঃকিন শিয়াল, হাবিত থকাই ভাল

৩.
নীলৰ চৰিয়াত জোবোৰা মাৰি
এটা শিয়াল নীলাশিয়াল হ'ল
নীলাশিয়ালৰ ভাও-ভঙতিত অৰণ্য হ'ল উত্তাল
নীলাশিয়ালটি হ'ল হাবিৰ ৰজা
পিছে গিয়াতিৰ ৰোষত পৰি
এদিন হাড়-মূৰ হ'ল গুড়া।

৪.
নীলাশিয়ালৰ তেজৰ টোপাল পৰি
নৈখন নীলা হ'ল
নৈখনত জোবোৰা মাৰি এটি-দুটিকৈ
বহু শিয়াল হ'ল নীলা

৫.
জাক জাক নীলাশিয়ালৰ অতপালিত
অৰণ্যখনো হ'ল নীলা
অৰণ্যখনে পাহাৰটো
পাহাৰটোৱে আকাশখন কৰিলে নীলা
নীলাশিয়ালৰ ৰাউচিয়ে
আন্ধাৰবোৰো কৰিলে নীলা।

# অভিধানৰ অসুখ

## কমল কুমাৰ জৈন

কুবেৰৰ ধন যেন
বুকুত মোৰ
সঞ্চিত শব্দ সম্ভাৰ

দুখ দলিত
চেতনাৰ প্ৰাৰ্থনা মোৰ

প্ৰাৰ্থনাৰে
আৱিষ্কাৰ কৰিব খোজোঁ
শব্দ

মাটিৰ
আকাশৰ
তৰা যেন মোৰ
সুহৃদ

জানি
নাজানি
শব্দবোৰ
ভাল পাবলৈ দিয়া

হৃদয় বন্দনাৰ
জীৱন এষণাৰ
নিসৰ্গ আলোকৰ
কবিতা হ'বলৈ দিয়া

হে মোৰ
সুহৃদ পাঠক,
চকুৰ চন্দ্ৰমালৈ
তোমাৰ
আছোঁ যে
বাট চাই...


**ঠিকনা ঃ**
**হৰেকৃষ্ণ ডেকা,** ১০০ কস্তুৰবা নগৰ, দক্ষিণ শৰণীয়া, গুৱাহাটী-৭৮১০০৭, ফোন ঃ ৯৮৫৪০২৩৬০২, e-mail : deka78@gmail.com
**ড° বসন্ত কুমাৰ ভট্টাচাৰ্য,** বিদ্যাপুৰ, উপপথ নম্বৰ-৮, নলবাৰী-৭৮১৩৩৫, ফোন ঃ ৮৪৮৬৫৪১০০৭
**জুৰিলী গগৈ,** ছেইণ্ট জেভিয়াৰ্ছ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপ, দুলীয়াজান-৭৮৬৬০২, ডিব্ৰুগড়, ফোন ঃ ৯৬৭৮৭৭৯৬৯৫
**ড° চিত্ৰজিৎ শইকীয়া,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান-৭৮৬৬০২, ডিব্ৰুগড়, ফোন ঃ ৭০০২৪৮৪৫২২, e-mail : chitrajitsaikia@gmail.com
**ৰাশ্মেল চৌধুৰী,** গাঁও ঃ খলিছামাৰি, ডাক ঃ পিঁয়াজবাৰী-৮৭৩১২৮, দক্ষিণ শালমাৰা, ফোন ঃ ৬০০২০১১১৩৭
**দেৱানন্দ ভট্টাচাৰ্য,** 'হেমপ্ৰভা কুটীৰ', উন্নয়ন প্ৰাধিকৰণ এলেকা, লেন-বি, মানকটা পথ, ডাক ঃ নিৰ্মালী গাঁও-৭৮৬০০৩, ডিব্ৰুগড়
**অপূৰ্ব ভূঞা,** ছি/৪-২২, অ' এন জি ছি নগৰ-১, ডুমাছ ৰ'ড, মগডেল্লা, চুৰাট-৩৯৪৫১৮, গুজৰাট, ফোন ঃ ৯৪২৭৫০৪৩৯৭
**কমল কুমাৰ জৈন,** প্ৰযত্নে ঃ কমল ষ্টৰ, এন টি ৰ'ড (বাটা চক) ডাক ঃ নলবাৰী-৭৮১৩৩৫, ফোন ঃ ৯৯৫৪৬২১২১৯